# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দীনদয়াল উপাধ্যায় মাৰ্গত বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰিব।

২। নিৰ্বাচন আয়োগে আসন্ন বিহাৰ বিধানসভা নিৰ্বাচন আৰু বিভিন্ন ৰাজ্যৰ ৮টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দল নিযুক্তি দিব।

৩। ভোকেল ফ'ৰ লোকেল নীতিক মন্ত্ৰ হিচাপে গ্ৰহণ কৰি সমাগত উৎসৱৰ বতৰ উদযাপন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত সকলোকে আহ্বান জনাইছে। *আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ফাইনেলত ভাৰতে পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি নৱমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ জয় কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দীনদয়াল উপাধ্যায় মাৰ্গত বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰিব। দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ শচদেৱাই কয়, যে এই নতুন কাৰ্যালয়টো কেৱল এটা কৰ্মস্থলীয়ে নহয় বৰং ই হৈছে দলৰ সংস্কৃতি তথা মূল্যবোধক ইয়াৰ কৰ্মকৰ্তা সকলৰ মাজত পোষণ কৰাৰ এটা কেন্দ্ৰ। তেওঁ এই নতুন কাৰ্যালয়টোৰ উদ্বোধনক দিল্লীত বিজেপিৰ যাত্ৰাৰ এটা ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰে। উদ্বোধনী অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি দলৰ জ্যেষ্ঠ নেতা, সাংসদ, বিধায়ক, কেন্দ্ৰীয় মন্ত্ৰী তথা কৰ্মকৰ্তা সকল উপস্থিত থাকিব।

০০০০০

নিৰ্বাচন আয়োগে আসন্ন বিহাৰ বিধানসভা নিৰ্বাচন আৰু বিভিন্ন ৰাজ্যৰ ৮টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দল নিযুক্তি দিব। এই দলটোত সাধাৰণ জনতা, আৰক্ষী আৰু ব্যয় পৰ্যবেক্ষকসকলক কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব।

মুক্ত, নিকা, আৰু স্বচ্ছ নিৰ্বাচনৰ বাবে ৩২০ গৰাকী আই এ এছ আৰু ৬০ গৰাকী আই পি এছকে ধৰি ৪৭০ গৰাকী বিষয়াক কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হ'ব। এই পৰ্যবেক্ষকসকলে প্ৰতিটো সমষ্টিৰ নিৰ্বাচনী প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ লগতে গুৰুত্ব দিবলগীয়া সমষ্টিসমূহ চিনাক্ত কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি এই নিৰীক্ষকসকলে মুক্ত, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো ভূমিকা গ্ৰহণ কৰাৰ উপৰি নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে ভোটদাতাসকলৰ মাজত সজাগতাৰ সৃষ্টি কৰিব।

জম্মু-কাশ্মীৰৰ বাদগাম আৰু নাগৰ'টা, ৰাজস্থানৰ অন্তা বিধানসভা সমষ্টি, ঝাৰখণ্ডৰ ঘাটছিলা, তেলেংগানাৰ জুবিলি হ'ল, পঞ্জাৱৰ তৰণ তৰণ, মিজোৰামৰ ডাম্পা আৰু ওড়িশাৰ নোৱাপদত উপ-নির্বাচন অনুষ্ঠিত হ'ব।

ooooo

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূর্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ্ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ্ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ্ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

চৰকাৰে পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰৰ জৰিয়তে কেতবোৰ খাদ্য সামগ্ৰীৰ কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ দিয়াৰ প্ৰয়াস কৰিছে। এই অনুসৰি পিজ্জা, ব্ৰেড, খাখৰা আৰু চাপাটিত থকা জি এছ্ টি পূৰ্বৰ ৫ শতাংশৰ পৰা বৰ্তমান সম্পূৰ্ণৰূপে কৰমুক্ত কৰা হৈছে। একেদৰে পৰঠা আৰু পাৰোতাৰ পৰাও পূৰ্বৰ ১৮ শতাংশ জি এছ্ টি বৰ্তমান সম্পূৰ্ণৰূপে ৰাহি কৰা হৈছে। তদুপৰি চচ আৰু মেয়নিজৰ দৰে সামগ্ৰীৰ জি এছ্ টি ১২ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। জনসাধাৰণৰ দৈনন্দিন ব্যয় ৰাহি কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে। জনসাধাৰণক সুলভ খাদ্য, দৈনিক পৰিপুষ্টি নিশ্চিত কৰাৰ উপৰি পৰিয়ালসমূহক আৰ্থিক সকাহ প্ৰদানৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে।

ooooo

ৰাণী ৰচমনিৰ আজি জন্মদিন উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁ সাহস, সহানুভূতি আৰু প্ৰত্যয়ৰ এটা নাম। প্ৰধানমন্ত্ৰীয়ে কয়, যে জনসাধাৰণে ৰাণী ৰচমনিক এগৰাকী স্বপ্নদৰ্শী আৰু পৰোপকাৰী নেত্ৰী হিচাপে সোঁৱৰণ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ৰাণী ৰচমনিয়ে সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ উন্নয়নৰ বাবে দীৰ্ঘস্থায়ী পদক্ষেপ গ্ৰহণ কৰিছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক স্বদেশী সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু ভোকেল ফ'ৰ লোকেল নীতিক মন্ত্ৰ হিচাপে গ্ৰহণ কৰি সমাগত উৎসৱৰ বতৰ উদযাপন কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ ১২৬ সংখ্যক খণ্ডত কালি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এতিয়া উৎসৱৰ বতৰ আৰু এই সময়ছোৱাতে জি এছ্ টি সঞ্চয় উৎসৱো উদযাপিত হৈ আছে। তেওঁ সকলোকে দেশত উৎপাদিত সামগ্ৰী ক্ৰয় কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'বলৈ আহ্বান জনায়। এনে কাৰ্যই একোটা পৰিয়াললৈ আশাৰ সঞ্চাৰ কৰাৰ লগতে থলুৱাভাৱে নিৰ্মিত সামগ্ৰী উৎপাদনৰ সৈতে জড়িত শিল্পী-কাৰিকৰসকলৰ কঠোৰ পৰিশ্ৰমক সন্মান জনাব।

প্ৰধানমন্ত্ৰী মোদীয়ে কালিৰ **মন কী বাত** অনুষ্ঠানত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। শেহতীয়াকৈ অসমত আয়োজিত যুগজয়ী মহান শিল্পীগৰাকীৰ জন্মশতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক কালজয়ী গীতটো সিংহলী আৰু তামিল ভাষালৈ অনুবাদ কৰাৰ কথা উল্লেখ কৰি কয়, যে ভূপেন হাজৰিকাৰ গীতত বিশ্বব্যাপী ঐক্য প্ৰতিফলিত হয়। তেওঁ অসমীয়াৰ হিয়াৰ

আমঠু শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে। নিজৰ প্ৰতিভাৰে সমগ্ৰ দেশতে পৰিচিত হৈ পৰা জুবিন গাৰ্গৰ অসমৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সংগীতে পৰৱৰ্তী প্ৰজন্মসমূহক সদায়েই আচ্ছন্ন কৰি ৰাখিব।

০০০০০

ভিয়েটনামত **টাইফুন বুৱালয়**ৰ পৰিপ্ৰেক্ষিতত বিমান বন্দৰসমূহ বন্ধ কৰি দিয়াৰ লগতে হাজাৰ হাজাৰ লোকক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰোৱা হৈছে। এদিন পূৰ্বে ফিলিপাইনছত টাইফুনৰ ফলত প্ৰচণ্ড ধুমুহা-বৰষুণত কমেও ১০ জন লোকৰ মৃত্যু হৈছে। ঘণ্টাত ১৩৩ কিলোমিটাৰ বেগেৰে বলা বতাহজাকে আজি মধ্য ভিয়েটনামত খুন্দিয়াব বুলি দেশখনৰ ৰাষ্ট্ৰীয় বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰিছে। সংস্থাটোৱে জনোৱা মতে ইয়াৰ ফলত প্ৰচণ্ড ধুমুহা, প্ৰবল বৰষুণ, আকস্মিক বান, ভূমিস্খলনকে ধৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ আশংকা কৰা হৈছে। ভিয়েটনাম চৰকাৰে কালি দা নাং আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰকে ধৰি চাৰিটা উপকূলীয়া বিমান বন্দৰৰ পৰা বিমান চলাচল বাতিল কৰাৰ লগতে বহুকেইখন বিমানৰ সময় সলনি কৰিছে।

০০০০০

সমগ্ৰ বেলুচিস্তানত বেলুচ নাগৰিকৰ বলপূৰ্বক নিৰুদ্দেশ অব্যাহত থকাৰ সময়তে পাকিস্তানী সেনাবাহিনীয়ে আৰু তিনিজন বেলুচ লোকক বলপূৰ্বকভাৱে নিৰুদ্দিষ্ট কৰাৰ অভিযোগ উত্থাপিত হৈছে। বেলুচ ৰাষ্ট্ৰীয় আন্দোলনৰ মানৱ অধিকাৰ শাখা পাংক'ৰ তথ্য অনুসৰি পাকিস্তানী সেনাবাহিনীয়ে বেলুচিস্তানৰ দাদৰ জিলাৰ কুলদান জিৱানী নিবাসী সমীৰ বেলুচক বলপূৰ্বকভাৱে নিৰুদ্দিষ্ট কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত পাংকে কয়, যে যোৱা নিশা কৰাচীৰ ছাফুৰাগথৰ পৰা পাকিস্তানী সেনাবাহিনীয়ে সমীৰ বেলুচক বলপূৰ্বকভাৱে উঠাই লৈ যায়। ইয়াৰোপৰি যোৱা শনিবাৰে আলতাফ বেলুচ আৰু গালিব বেলুচ নামৰ দুজন বেলুচ নাগৰিকক পাকিস্তানী সেনাবাহিনীয়ে তালাচী চলাই নিজ বাসগৃহৰ পৰাই বলপূৰ্বকভাৱে লৈ যোৱাৰ পাছত দুয়োগৰাকী লোক বৰ্তমানলৈ নিৰুদ্দিষ্ট হৈ আছে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে তিলক বাৰ্মাৰ আকৰ্ষণীয় বেটিঙৰ সহায়ত পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি নৱমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ জয় কৰে। ভাৰতে ১৪৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ৪টা বলত ৫ উইকেটৰ বিনিময়ত ১৫০ ৰান কৰে। ভাৰতৰ হৈ তিলক বাৰ্মাই ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। শিৱম ডুবেই ৩৩ আৰু সঞ্জু ছেমছনে ২৪ ৰানৰ বৰঙণি আগবঢ়ায়। পাকিস্তানৰ হৈ ফাহিম আশ্ৰফে ৩টা উইকেট দখল কৰাৰ লগতে শ্বাহিন আফ্ৰিদি আৰু আব্ৰাৰ আহমেদে এটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি পাকিস্তানক প্ৰথমে বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনায়। পাকিস্তানে ১৯ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে। পাকিস্তানৰ হৈ ছাহিবজাদা ফাৰহানে সৰ্বাধিক ৫৭ আৰু ফখৰ জামানে ৪৬ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৪টা উইকেট দখল কৰাৰ বিপৰীতে জছপ্ৰীত বুমৰাহ, বৰুণ চক্ৰৱৰ্তী আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট দখল কৰে।

তিলক বাৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে আৰু অভিষেক শৰ্মাক প্লেয়াৰ অৱ দা টুৰ্ণামেণ্ট হিচাপে ঘোষণা কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এছিয়া কাপত জয়লাভ কৰাত ভাৰতীয় দলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় দললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি ভৱিষ্যতে এই বিজয়ৰ ধাৰা অব্যাহত ৰখাটো কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়া কাপৰ ফাইনেলক অপাৰেচন সিন্দূৰৰ সৈতে তুলনা কৰি এই প্ৰতিযোগিতাতো ভাৰতে জয়লাভ কৰে বুলি উল্লেখ কৰে। এটা বাৰ্তাত শ্ৰীমোদীয়ে খেলপথাৰত অপাৰেচন সিন্দূৰ বুলি উল্লেখ কৰে। তেওঁ ভাৰতীয় ক্ৰিকেট দললৈ শুভেচ্ছা জ্ঞাপন কৰে।

ইপিনে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইয়ে পাকিস্তানৰ বিৰুদ্ধে জয়লাভক উদযাপন কৰি এই জয়ক খেলপথাৰৰ বাহিৰে ভিতৰে শক্তিশালী প্ৰদৰ্শন বুলি অভিহিত কৰে। এছিয়া কাপত ভাৰতীয় খেলুৱৈসকলৰ সাফল্যক স্বীকৃতি দি বিচিচিআয়ে দলৰ খেলুৱৈ আৰু সহযোগী কৰ্মচাৰীসকললৈ মুঠ ২১ কোটি টকাৰ প্ৰাইজমানি ঘোষণা কৰিছে।

ooooo

সমাপ্ত